# নোহোৱা হোৱাৰ দুখ

**ডাঃ বিকাশ বৰুৱা**

এটা এটাকৈ বস্তুবিলাক, এজন এজনকৈ মানুহবোৰ নোহোৱা হৈ যোৱাটোৱেই পৃথিৱীৰ নিয়ম। এই নিয়ম ভাঙিব পাৰে, তেনে মাইকালাল দুনীয়াত পৈদাই হোৱা নাই।

গুৱাহাটীৰ নিচেই কাষতে পূৰ্বতে পলাশবাৰী নামৰ এখন নগৰ আছিল। লুইতৰ বুকুত সেইখন প্ৰায় নোহোৱা হৈ গ'ল। চকুৰ পচাৰতে নিউয়ৰ্ক চহৰত জিলিকি থকা টুইন টাৱাৰ নোহোৱা হৈ গ'ল। ৰফি, জগজিৎ, অ' পি নায়াৰ, চিত্ৰগুপ্ত নোহোৱা হ'ল। ভূপেনদা, হেমেনদা, দেৱানন্দ, শ্ৰীদেৱী নোহোৱা হ'ল। আলহী, লুচি-ভাজি, মালপোৱা, অমলেট নোহোৱা হ'ল। অসমীয়া নামৰ ভাষাটো, জাতিটো, কা-বিৰোধী গণগৰ্জন, নায়ক, গায়ক, উত্তাল সংগীত, উদাত্ত ভাষণ, এনাৰ্ছি, হাজেলা, বিদেশী খেদাৰ হুংকাৰ, ছুইছ বেংকৰ টকা.. আটাইবোৰ নোহোৱা হ'ল।

ৰফিক কেৱল ভাল পোৱাই নহয়, লগো পাইছিলোঁ। 'চোৰাচোন এই অকণমানি ল'ৰাটোৱে নগৰখনৰ মান ৰাখিলে' বুলি কৈ কাষতে বহুৱাই লৈছিল। বাদ্যযন্ত্ৰীসকলক মাতি আনি অট'গ্ৰাফ দিয়াইছিল। নগৰখনৰ কোনো এজন মানুহেই লগ কৰিবলৈ নহা দেখি তেওঁ আচৰিত হৈছিল। এনে এজনা ব্যক্তিক যে কাষতো পাব পাৰি কথাটো চাগে' কাৰো মনলৈকে নাহিল। যাবৰ পৰত কৈছিল 'ফিৰ মিলেংগে..।' গতিকে মুম্বাইত গৈ আকৌ লগ কৰিছিলোঁ। এদিন হঠাৎ নোহোৱা হৈ গ'ল।

কেৱল মৃত্যুৱেহে যে কাৰোবাক আঁতৰাই নিয়ে তেনে নহয়। এইখন পৃথিৱীত জীয়াই থকা মানুহো নোহোৱা হৈ যায়। প্ৰেম, হৃদয়, আকৰ্ষণ প্ৰয়োজন নোহোৱা হৈ যায়। ৰোমিঅ'ৰ কাষৰপৰা জুলিয়েট, হিমন্তৰ কাষৰপৰা ৰকিবুল নোহোৱা হৈ যায়। পেটৰ সন্তান, ৰাজকোষৰ ধন, সমষ্টিৰ বিধায়ক, ট্ৰেক্টৰ, বীজ, গৰু, আঁচনিৰ ধন নোহোৱা হৈ যায়। 'লেখা এটা' বিচাৰি তাগিদা দি থকাজন লেখাটো পোৱা মাত্ৰকতে মহাশূন্যত বিলীন হৈ যায়। মাজতে শুনিলোঁ, চীনদেশৰ বস্তুবিলাক নোহোৱা হৈ যাব। ভাগ্য ভাল, তেনে একো নঘটিল। ঘটা হ'লে যিখন দেশত ম'বাইল ফোনটোৰপৰা ভগৱানৰ মূৰ্তিলৈকে প্ৰায়বোৰ বস্তুৱেই চীনদেশীয়, সেই পূৰা ইণ্ডিয়া চেটেপ হৈ গ'লহেঁতেন।

মিউজিয়ামত তিনিটা গান্ধী পুতলা। ৰখীয়াজনে দুখ কৰিলে। 'শেষবাৰৰ বাবে চাই লওক। ইহঁতো নোহোৱা হৈ যাব। ডাৰউইনৰ সূত্ৰ মতেই এই তিনিওটা বান্দৰ খুব সোনকালেই দুঠেঙীয়া নৰমনিচত পৰিণত হ'ব। চকুৰে একো চাব নোখোজাটো হ'ব আইন আৰু সংবিধানৰ ৰক্ষক। বোবা হৈ থাকিব খোজাটো নাগৰিক। কাণেৰে একো শুনিব নোখোজাটো দেশৰ ৰজা।'

ৰে'লেৰে ভূপালৰপৰা দিল্লীলৈ আহি আছিলোঁ। কাষত এজনী অত্যন্ত ধুনীয়া ছোৱালী। বহুত কথা পাতিলোঁ। গান শুনিলোঁ। এটা সময়ত এনে ভাব হ'ল, যেন এক মুহূৰ্তলৈকো নেৰিব। হঠাৎ 'আই লাভ ইউ' কৈ দিব। নিজৰ ষ্টেশ্যনটো আহি পোৱাৰ লগে লগেই নামি গুচি গ'ল। থৰ লাগি মাত্ৰ চাইহে থাকিলোঁ। ঠিক ৰফিয়ে গোৱাৰ দৰেই.. 'মেঁ য়ে ছ'চ্ছকৰ উছকে দ্বৰছে উঠা থা..'

মাজে মাজে বৰ দুখ লাগে। মুখাৰ আঁৰত মুখবোৰ নোহোৱা হৈ গ'ল। সমুখতে আহি থিয় হোৱা মানুহগৰাকীনো কোন, কেৱল চকু দুটালৈ চাই ডায়গনছিছ কৰিব লগা হয়। সুন্দৰকৈ কথা পাতে, সুখ-দুখৰ বতৰা লয়, নিজৰো দিয়ে, অথচ চিনি নাপাওঁ। ধুনীয়া মুখ, সোলা মুখ, দঁতুৱা মুখ, গোমোঠা মুখ, গোন্ধোৱা মুখ, সকলো মুখেই অন্তৰ্ধান।

পুৰা কামলৈ বুলি ওলাই আহি সদায় থোৱা ঠাইতে গাড়ীখন থ'বলৈ লৈছোঁ, হঠাৎ পুলিছ কনষ্টেবল এজন দৌৰি আহিল।

"আজি ইয়াত ৰাখিবলৈ নিদিব নহয়।"

"কিয়বা? নগৰত কি জগৰ লাগিল?"

"ছিয়েম আহিব। দলে-বলে। ৰাস্তাত কুকুৰ-মেকুৰীৰো প্ৰৱেশ নিষেধ।"

তেত্ৰিছ বছৰীয়া বাসন্তী আইদেউক অন্য এঠাইলৈ নি টিকাফটা ৰ'দতে থৈ খোজ কঢ়া আৰম্ভ কৰি দিলোঁ ...

কেইখোজমান অহাৰ পাছতে হঠাৎ যেন মূৰৰ ওপৰত আকাশী সৰগ ভাগি পৰিল। আৰে.. গাঁতবিলাক ক'লৈ গ'ল? বছৰৰ পাছত বছৰ চিনাকি বাটটোৱেদি আহোঁতে-যাওঁতে বিয়াগোম চেহেৰাৰ গাঁতকেইটা অতিকৈ আপোন হৈ পৰিছিল। দোপতদোপে শ্ৰীবৃদ্ধি হৈ সিহঁত দিনক দিনে অধিক দ আৰু ডাঙৰ হৈ আহিছিল। কাষৰকেইটা অকণ অকণকৈ বাঢ়ি বাঢ়ি ৰাস্তাৰ সোঁমাজ পাইছিলহি। উতনুৱা, দৰমহা খোৱা ড্ৰাইভাৰকেইটাৰ বাহিৰে বাকী সকলোৱেই উপযুক্ত সন্মান যাচি ভালেমান দূৰেৰে, সম্ভ্ৰমেৰে পাৰ হৈ গৈছিল। তেনেহেনকেইটা বস্তু নিশাৰ ভিতৰতে নোহোৱা হৈ গ'লে মৰ্মান্তিক বেজাৰত বুকুখন কিয়নো বাৰু ফাটিছিটি নাযাব?

সেইপিনেদি আহি-গৈ থকা আনসকল বাটৰুৱাও চিন্তাত পৰিল। 'আচৰিত.. একে ৰাতিতে গাঁতকেইটা কেনি যাব পাৰে? পিকে দত্ত নহয় যে বাট ভুল কৰি নেপাললৈ গুচি যাব। অক্ষয় চান্দ নহয় যে মনে মনে গৈ হস্পিটেলত সোমাই থাকিব। আয়ে দেহি, বেচেৰাকেইটাৰ ওপৰেদিয়েই পাতবেং হৈ, ফৰিং হৈ, সৰু সৰু ছাগলী পোৱালি হৈ কিমান জঁপিয়াইছিলোঁ। ঠিক সেইখিনিতে হঠাৎ বাজি উঠা ম'বাইলটো ধৰিবলৈ গৈ কিমান উজুটি খাইছিলোঁ, পৰি গৈ দাঁত নিকটাইছিলোঁ..'

আটায়ে শোকত ভাগি পৰা যেন দেখি কাষৰে দোকানী এজন আগবাঢ়ি আহিল।

"জানেই নহয়.. পিয়েম, ছিয়েমকে আদি কৰি ৰজাঘৰীয়া ভিভিআইপিসকল আহিব লগা থাকিলে যিটো হয়.. চাৰিটামান দুঠেঙীয়া মানৰ শৰীৰে আহি ৰাতিয়ে গাঁতকেইটা পুতি থৈ গ'ল। পিছে এটা কথা, মনে মনে কৈছোঁ.. গাঁতকেইটা নোহোৱা হৈ গ'ল বুলি মুঠেও দুখ নকৰিব। দৌতাসৰে পিঠি দিয়াৰ লগে লগেই সিহঁত য'ত যেনেকৈ আছিল তেনেকৈয়ে আকৌ ওলাই পৰিব। কেৱল মাটি, জাবৰ আৰু প্লাষ্টিক দি পুতি থোৱা আছে। শিল, আলকাতৰা.. তেনে ধৰণৰ কোনো বস্তু নাই।"

এজন বাটৰুৱাই বহি লৈ আকৌ এবাৰ ভালদৰে পৰীক্ষা কৰিলে। ঠিকেই। কথাটো সঁচা। এজাকমান বৰষুণেই গোটেইখিনি সুন্দৰকৈ ধুৱাই উটুৱাই লৈ যাব। আৰু যদিহে টিকাফটা ৰ'দ ওলায়, মুহূৰ্ততে শুকাই ধূলি হৈ গুড়ি হৈ আকাশলৈ উৰিব।

বহি থকাৰপৰাই তেখেতে আকাশৰ পিনে চালে। 'হে মহান প্ৰভু ঈশ্বৰ.. তোমাৰ শ্ৰীচৰণত শতকোটি প্ৰণাম। অনবৰতে দেখি থকা, পাই থকা বস্তু এটা হঠাৎ নোহোৱা হৈ যোৱাৰ দুখটো কিমান মৰ্মভেদী, হৃদয়বিদাৰক হ'ব পাৰে, তুমি অন্তৰ্যামীয়ে সুন্দৰকৈ বুজি পাই গ'লা। সেয়েহে চাগে' ৰজাঘৰীয়া সেৱকৰ মগজুত যৎসামান্য সুমতিও দিলা। মনটো এতিয়াহে অলপ ভাল লাগিছে। তোমাৰ আশীৰ্বাদত আমাৰ মৰমৰ গাঁত আমি নিশ্চয় ঘূৰাই পাম। থেংক ইউ ভগৱান।'

ঠিকনা ঃ ক্লাব ৰ'ড, যোৰহাট-৭৮৫০০১,
ফোন ঃ ৮৬৩৮০২৮৭৯৯
e-mail : dr.bikaasbarooa@gmail.com